# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-02-2026 **Time :** 1100 Hrs.

0000000000

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি তৃতীয়দিনা সদনত ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। অধিৱেশনত সম্প্ৰতি প্ৰশ্নোত্তৰ শিতান চলি আছে। কাইলৈ অধিৱেশনৰ অন্তিম দিনা লেখানুদান সন্দৰ্ভত আলোচনা আৰু ভোটদান অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কালি সদনত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্ৱৰ্তী লেখানুদান দাখিল কৰা হয়। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে এই লেখানুদান দাখিল কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰাৰম্ভিক চাৰি মাহৰ বাবে ৬২ লাখ ২৯ হাজাৰ ৪৭৮ টকাৰ লেখানুদান দাখিল কৰে। পূৰ্ণাংগ বাজেট উত্থাপন নকৰা পৰ্যন্ত চৰকাৰৰ কাম-কাজ চলাই নিবলৈ এই লেখানুদান দাখিল কৰা হৈছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰে। এই লেখানুদানত ২০২৬-২৭ বৰ্ষত বিকাশৰ হাৰ ১৬ দশমিক ৯-৩ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। একেদৰে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন চাৰে ৮ লাখ কোটি টকাৰো অধিক হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰিছে।

000000

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে আজি ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। বিয়লি আয়োগৰ দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

দলটোৱে কালি ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত বিজেপিৰ ডাঃ ৰণোজ পেগু, প্ৰদান বৰুৱা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, কংগ্ৰেছৰ ৰকিবুল হুছেইন, বি পি এফৰ দুৰ্গাদাস বড়ো, অসম গণ পৰিষদৰ সুনীল ৰাজখোৱাকে ধৰি কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। আয়োগৰ দলটোত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ডাঃ সুখবীৰ সিং সান্ধু আৰু ডং বিবেক যোশীৰ লগতে ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেল আৰু নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

00000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলে মাহজোৰা প্ৰস্তুতিৰ অন্তত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং পালন কৰিছে। এই উৎসৱক লৈ মিচিং বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে প্ৰতিবছৰে এই উৎসৱ পালন কৰি আহিছে। আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱত বীজ ৰোপণ কাৰ্য আৰম্ভ

কৰাৰ লগতে এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কৃষি আৰু উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক অতুল বৰা, ভূবন পেগু, নৱ কুমাৰ দলে, ভূবন গাম আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙ্গীয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আলি-আয়ে-লৃগাং উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। আলি-আয়ে-লৃগাং উপলক্ষে ৰাজ্যৰ ১০ খন জিলাত চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে।

**মাজুলী** আৰু লখিমপুৰ জিলাৰ বিভিন্ন স্থানত পুৱাৰে পৰা আলি-আয়ে-লৃগাঙৰ আয়োজন কৰা হৈছে। **ধেমাজি** জিলাৰ বিভিন্ন স্থানতো কৃষিভিত্তিক এই উৎসৱটো পালন কৰা হৈছে। ধেমাজি জিলাৰ বিভিন্ন স্থানত আয়োজন কৰা এই উৎসৱন সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মা-

**ভইচকাষ্ট (হৰেন্দ্ৰ নাথ শৰ্মা)**

00000000

প্ৰাদেশিকীকৰণৰ যোগ্য শিক্ষানুষ্ঠানসমূহৰ বাবে ৰাজ্য চৰকাৰে আজি এটা অনলাইন প'ৰ্টেল মুকলি কৰে। দিছপুৰৰ লোকসেৱা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প'ৰ্টেলটো মুকলি কৰে। ২০১৭ চনৰ অসম শিক্ষা, শিক্ষকৰ সেৱা প্ৰাদেশিকীকৰণ আৰু শিক্ষানুষ্ঠান পুনৰ গঠন আইনৰ ২০২৫ চনৰ সংশোধনীৰ আধাৰত এই প'ৰ্টেলটো মুকলি কৰা হৈছে।

0000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহলেও অংশগ্ৰহণ কৰিব।

00000000

———চিৰাং জিলাৰ ৰুণীখাটাত কালি অনুষ্ঠিত এখন সভাত বিভিন্ন দলৰ ১৯৩ গৰাকী লোকে বি পি এফত যোগদান কৰে। ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৰ কেইবাজনো ঘনিষ্ঠয়ো কালি বি পি এফত যোগদান কৰে।

0000000

**সমাপ্ত**